মহানগৰীৰ প্ৰাগজ্যোতি প্ৰকল্পত সম্প্ৰীতি সমাৰোহ

# একেখন শিক্ষা সংসদৰ অধীনলৈ আহিব ৰাজ্যৰ সমূহ জাতীয় বিদ্যালয়

**জাতীয় বিদ্যালয় এখন স্কুল নহয়, ই এটা আন্দোলন**
*হোমেন বৰগোহাঞি*



## ৫৭ বিদ্যালয়ক পঞ্জীয়ন পত্ৰ প্ৰদান

প্ৰতিদিন সংবাদ, গুৱাহাটী, ৩ মে' ঃ মাতৃভাষাই শিক্ষা আহৰণৰ শ্ৰেষ্ঠ মাধ্যম। মাতৃভাষাৰ মাধ্যমৰ অসমৰ জাতীয় জীৱনক নৱ সম্ভাৱনাৰে আগুৱাই নিবলৈ ২৫ বছৰ পূৰ্বে গুৱাহাটীত স্থাপন হৈছিল অসম জাতীয় বিদ্যালয়। বৈজ্ঞানিক-কাৰিকৰী-আৰ্থ ■ ১২ পৃষ্ঠাত

■ *প্ৰথম পৃষ্ঠাৰ পৰা* সামাজিক-ভাষা-সাহিত্য-সংস্কৃতি সকলো দিশতে এচাম নতুন প্ৰতিভা গঢ় দিয়াৰ মানসেৰে প্ৰতিষ্ঠা হোৱা অসম জাতীয় বিদ্যালয়ে উপনীত হৈছে ৰূপালী জয়ন্তী বৰ্ষৰ মধুৰ ক্ষণত। সৰু গছপুলি এটাই ডাল-পাত প্ৰসাৰিত কৰি ৰূপ লৈছে বৃহৎ বৃক্ষৰ। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গঢ় লৈ উঠা বিভিন্ন জাতীয় বিদ্যালয়ে জ্ঞানৰ পোহৰ বিলাইছে নিৰৱচ্ছিন্নভাৱে। সমৃদ্ধ কৰিছে অসমৰ জাতীয় জীৱনক। যেন অসমৰ ভাষা-সাহিত্য-সংস্কৃতিক যুগ যুগলৈ জীয়াই ৰখাৰ পণ লৈ এই বিদ্যালয়ে গঢ়ি তুলিছে এটা আন্দোলন। জাতিটোৰ স্বাভিমান ৰক্ষাৰ যুঁজত অৱতীৰ্ণ অসম জাতীয় বিদ্যালয়ৰ সংগী হৈ অহা ৰাজ্যৰ চুক-কোণৰ জাতীয় বিদ্যালয়সমূহ আজি উপনীত হ'ল এক ঐতিহাসিক ক্ষণত। ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে আজি আনুষ্ঠানিকভাৱে স্বীকৃতি দিলে ৰাজ্যৰ ৫৭ খন জাতীয় বিদ্যালয়ক। জাতীয় জীৱনক অধিক সবল ৰূপত আগুৱাই নিবলৈ শিক্ষা সংসদে সংকল্প ল'লে ৰাজ্যৰ প্ৰতিখন জাতীয় বিদ্যালয়ক এডাল সূতাৰে বন্ধাৰ। গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আড়ম্বৰপূৰ্ণ অনুষ্ঠানত একত্ৰিত হ'ল ৰাজ্যৰ শ শ জাতীয় বিদ্যালয়ৰ প্ৰতিনিধি। জাতীয় বিদ্যালয় সম্প্ৰীতি সমাৰোহ নামেৰে অনুষ্ঠিত বৰ্ণিল অনুষ্ঠানটোত ৭০০ ৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰি সহমত প্ৰদৰ্শন কৰিলে শিক্ষা সংসদৰ প্ৰচেষ্টাৰ সৈতে। সম্প্ৰীতি সমাৰোহৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিদ্যালয়সমূহক আনুষ্ঠানিকভাৱে পঞ্জীয়নপত্ৰ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিয়ে। তেওঁক সহযোগ কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি, অসম জাতীয় বিদ্যালয় ন্যাসৰ সভাপতি দিলীপ কুমাৰ দত্তচৌধুৰী, শৈক্ষিক বিষয়া নৰেন্দ্ৰমোহন গোস্বামী, ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, সচিব নাৰায়ণ শৰ্মাই। অসীমকৃষ্ণ বৰাই আঁত ধৰা অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি হোমেন বৰগোহাঞিয়ে বিদ্যালয়খনে অসমৰ জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানক ভূয়সী প্ৰশংসাৰে ওপচাই দিয়ে। ভাষণ প্ৰসংগত তেওঁ কয়— 'অসম জাতীয় বিদ্যালয় মাত্ৰ এখন স্কুল নহয়, ই এটা আন্দোলন।' বৰগোহাঞিয়ে তাৰ বিস্তৃত বৰ্ণনা দি কয় যে অসমত এনে কেইবাহেজাৰ বিদ্যালয় আছে। শিক্ষাৰ ক্ষেত্ৰত কোনো আগবঢ়া, কোনোবা পিচপৰা। কিন্তু অসমৰ এই হেজাৰ হেজাৰ বিদ্যালয়ৰ ভিতৰত অসম জাতীয় বিদ্যালয় মাত্ৰ এখন স্কুলেই নহয়, নিজস্ব বৈশিষ্ট্যতাৰে গঢ় লোৱা, অসমৰ জাতীয় জীৱনৰ পটভূমিত নিৰ্মিত এই বিদ্যালয়খন একক আৰু অনন্য। অসম জাতীয় বিদ্যালয় অসমৰ সৰ্বোৎকৃষ্ট প্ৰতিভাৰ চিন্তাপ্ৰসূত এটা অনুষ্ঠান। তেওঁ কয়— 'প্ৰায় এহেজাৰ বছৰ ধৰি আমি অসমীয়া ভাষাৰ চৰ্চা কৰি আহিছো। এই এহেজাৰ বছৰত আমি এটা উন্নত ভাষা, উন্নত সংস্কৃতি গঢ়ি তুলিছো। বিশ্বৰ ভিতৰত একেবাৰে আগত নহ'লেও একেবাৰে পিচ পৰিও থকা নাই। এহেজাৰ বছৰীয়া অভিজ্ঞতাৰে অসমীয়া জাতি গঢ়ি উঠিছে। কিন্তু এতিয়া অসমীয়া জাতিৰ জাতীয় অস্তিত্ব, সংস্কৃতি, ভাষা বিপন্ন হৈ পৰিছে। অদূৰদৰ্শী-মূৰ্খ ৰাজনৈতিক নেতাৰ ভুল চিন্তাৰ কাৰ্যকলাপে অসমীয়া জাতিৰ সৰ্বনাশ মাতি আনিছে। এই সময়ত অসম জাতীয় বিদ্যালয় জাতিটোৰ আশা-ভাৰসাৰ থলীত পৰিণত হৈছে। যেনেকৈ সাগৰত এখন জাহাজ ডুবিবলৈ আৰম্ভ কৰিলে যাত্ৰীয়ে প্ৰাণৰক্ষাৰ বাবে লাইফ বোটত উঠি জাঁপ মাৰে, অসমীয়া জাতিৰো একে অৱস্থা। আত্মৰক্ষা-জীৱন ৰক্ষাৰ বাবে অসমীয়া জাতিয়ে যিকেইখন লাইফ বোট দেখিছে, তেনে এখন লাইফ বোট হৈছে অসম জাতীয় বিদ্যালয়। সেয়ে অসম জাতীয় বিদ্যালয়ৰ লগত জড়িত পৰিচালক, শিক্ষক, অভিভাৱকে যিদৰে বিদ্যালয়খনৰ বাবে কাম কৰিব লাগিব, তেনেদৰে বিদ্যালয়খনেৰে জড়িত নোহোৱা অথবা অসমীয়া জাতিৰ হিত চিন্তা কৰা প্ৰতিজন অসমীয়াৰ নৈতিক কৰ্তব্য হ'ল অসম জাতীয় বিদ্যালয়ৰ আন্দোলনক ক্ৰমশঃ শক্তিশালী কৰি তোলা।' ভাষণ প্ৰসংগত তেওঁ বিদ্যালয়খনৰ শৈক্ষিক ফলাফলক লৈয়ো সন্তোষ ব্যক্ত কৰে। তদুপৰি হাইস্কুল শিক্ষান্তত স্থান লাভ কৰাটো ডাঙৰ কথা নহয় বুলি উল্লেখ কৰি বৰগোহাঞিয়ে কয়— 'পৰীক্ষাত স্থান লাভ কৰা ছাত্ৰই পিচৰ জীৱনত খুব কিবা ভাল কাম কৰিব পাৰে বুলি মই নাভাবো।' তাৰ বিপৰীতে তেওঁ ১৯৫০ চনত মেট্ৰিকত উত্তীৰ্ণ হোৱা বৰ্ষটোৰ শিক্ষাৰ্থীসকলৰ উদাহৰণ দি কয় যে স্থান নোপোৱাসকলেহে পিচৰ জীৱনত জাতীয় জীৱনত, সাংস্কৃতিক ক্ষেত্ৰত নেতৃত্ব দিয়াত সফল হৈছে। একো একোটা সভ্যতা-সংস্কৃতিৰ উত্থানত এখন বিদ্যালয় বা এজোজন শিক্ষকৰ অপৰিসীম ভূমিকাৰ কথা তেওঁ উদাহৰণসহ বিশ্লেষণ কৰে। সূৰ্য অস্ত নোহোৱা সাম্ৰাজ্যৰ সৃষ্টি কৰা ইংৰাজসকলৰ উদাহৰণ বৰগোহাঞিয়ে সাৱলীলভাৱে উত্থাপন কৰে। ভাষণ প্ৰসংগত ৰঞ্জিত নাৰায়ণ ডেকাই কয় যে ৰাজ্যত স্থাপন হোৱা প্ৰায় ১,০০০ জাতীয় বিদ্যালয়ত ৫ লাখ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। ৫ লাখ শিক্ষাৰ্থীৰ পাঁচ লাখ মনে কি বিচাৰিছে, ১০ লাখ চকুৱে কি চাব বিচাৰিছে, এইটো নিৰ্ভৰ কৰিব শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ওপৰত। জাতিটোৰ ভৱিষ্যতলৈ চাই থকা ১০ লাখ চকুৰ আশা-আকাংক্ষাক জাতীয় বিদ্যালয়ে পূৰণ কৰিব লাগিব। অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত সচিব নাৰায়ণ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰে। মুখ্য অতিথি বৰগোহাঞিৰ চিনাকি আগবঢ়ায় দীপক কোচে। শিক্ষক ৰবীন্দ্ৰ বৰ্মনে বিদ্যালয় পঞ্জীয়ন সম্পৰ্কীয় বক্তব্য আগবঢ়ায়। পৰৱৰ্তী পৰ্যায়ত প্ৰতিনিধিসকলে আগবঢ়ায় বক্তব্য। ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাৰ বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠানটো 'আমাৰ জাতীয় বিদ্যালয়' শীৰ্ষক গীতেৰে মুখৰ হৈ পৰে প্ৰেক্ষাগৃহৰ পৰিবেশ।

অসমীয়া প্ৰতিদিন ৪ মে, ২০১৮
পৃষ্ঠা নং - ১, ১২

# অসম জাতীয় বিদ্যালয়ৰ সম্প্ৰীতি সমাৰোহ

মহানগৰ বাতৰি সেৱা

গুৱাহাটী, ৩ মে' ঃ অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে আজি গুৱাহাটীৰ মাছখোৱা সাংস্কৃতিক প্ৰকল্পত জাতীয় বিদ্যালয়সমূহৰ সম্প্ৰীতি সমাৰোহৰ আয়োজন কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিয়ে। সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত ভাষণ দি বৰগোহাঞিয়ে কয় যে বৰ্তমান অসমীয়া জাতি বিপন্ন হোৱাৰ উপক্ৰম হোৱায়ে নহয়, ইতিমধ্যে বহুখিনি বিপন্ন হৈছে। তেওঁ কয় যে অদূৰদৰ্শী, মূৰ্খ ৰাজনৈতিক নেতাৰ ভুল চিন্তা-চৰ্চা আৰু কাৰ্যকলাপে অসমীয়া জাতিৰ সৰ্বনাশ মাতি আনিছে। এনে সময়ত যিকেইটা অনুষ্ঠানে অসমীয়া জাতিৰ উন্নয়নৰ বাবে কাম তথা প্ৰতিভাৰ সৃষ্টি কৰি আছে তাৰ ভিতৰত জাতীয় বিদ্যালয় অন্যতম। সেয়েহে অসমীয়া মানুহৰ বাবে জাতীয় বিদ্যালয় আশা-ভৰসাৰ থল হিচাপে পৰিগণিত হৈছে। অনুষ্ঠানত আদৰণী ভাষণ দিয়ে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। অনুষ্ঠানত ৰঞ্জিত নাৰায়ণ ডেকা, দিলীপ দত্ত চৌধুৰীয়ে ভাষণ দিয়ে। সমাৰোহত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫৭খন জাতীয় বিদ্যালয়ে অংশগ্ৰহণ কৰে। এই বিদ্যালয়সমূহক শিক্ষা সংসদৰ তৰফৰপৰা পঞ্জীয়ন-পত্ৰ প্ৰদান কৰা হয়।

দৈনিক অসম ৪ মে ২০১৮
পৃষ্ঠা নং - ৭

# Assam Jatiya Bidyalay movement lauded

GUWAHATI, May 4: The Assam Jatiya Bidyalay movement has been playing a pivotal role all over Assam during such a period when the Assamese culture, tradition and language are facing a crisis due to the aggression of outside elements. The movement is the lifeboat of a drowning ship. This observation was made by eminent writer and journalist Homen Borgohain who was the chief guest at 'Sampriti Samaroh', a get-together of all Jatiya Bidyalays of the State that was organised yesterday at Pragjyoti Cultural Complex, Machkhowa.

Around 500 representatives from different Jatiya Bidyalays took part in the programme, according to a press release issued here today.

The programme formed part of the year-long silver jubilee celebration of Assam Jatiya Bidyalay, Noonmati, Guwahati.

The other speakers included former bureaucrat and writer Lakshminath Tamuly, editor-in-chief of Pratidin Times Nitumoni Saikia, Rector of the school Ranjit Narayan Deka, secretary of the management committee Dr Narayan Sharma, president of the management committee Dilip Kumar Dutta Choudhury, Principal of the school Ghanashyam Medhi and HoD Mathematics Rabindra Barman.

Altogether 57 Jatiya Bidyalays from various parts of Assam were given registration certificate of the Assam Jatiya Bidyalay Educational Council (AJBEC). Representatives from various schools also spoke on the occasion.

The Assam Tribune 5 May 2018
page No - 7



*সম্প্ৰীতি সমাৰোহত বন্তি প্ৰজ্বলন কৰিছে হোমেন বৰগোহাঞিয়ে। কাষত অসম জাতীয় বিদ্যালয় ন্যাসৰ সচিব ডাঃ নাৰায়ণ শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি আৰু অন্যান্য, বৃহস্পতিবাৰে*

## অসম জাতীয় বিদ্যালয়ৰ বৰ্ণাঢ্য সম্প্ৰীতি সমাৰোহ
## ৫৭খন জাতীয় বিদ্যালয়ক পঞ্জীয়নৰ প্ৰমাণ-পত্ৰ প্ৰদান

# জাতীয় বিদ্যালয় অসমীয়া সমাজৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভাৰ চিন্তাপ্ৰজ্ঞ অনুষ্ঠান

**অসম জাতীয় বিদ্যালয়ক ৰাইজৰ আশা-ভৰসাৰ থলৰূপে অভিহিত কৰি হোমেন বৰগোহাঞিয়ে ক'লে ঃ অদূৰদৰ্শী ৰাজনৈতিক নেতাৰ ভুলে অসমীয়া জাতিৰ সৰ্বনাশ কৰিছে □ সহস্ৰাধিক জাতীয় বিদ্যালয়ত ৬ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমত শিক্ষাগ্ৰহণ কৰি আছে**

ভঙাগড়ৰ প্ৰতিবেদক, ৩ মে' ঃ 'অদূৰদৰ্শী, মূৰ্খ ৰাজনৈতিক নেতাৰ ভুল চিন্তা, কাৰ্যকলাপে অসমীয়া জাতিৰ সৰ্বনাশ মাতি আনিছে। এই অদূৰদৰ্শী, মূৰ্খ ৰাজনীতিকসকলে অসমীয়া ভাষা-সংস্কৃতিৰ অস্তিত্ব বিপন্ন কৰি তুলিছে।' —এই ভাষ্য প্ৰথিতযশা সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ। ৭ পৃষ্ঠাত

বৃহস্পতিবাৰে গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতিষ সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত 'অসম জাতীয় বিদ্যালয়'ৰ গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষৰ বছৰজোৰা কাৰ্যসূচীৰ অংশ হিচাপে অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে আয়োজন কৰা 'সম্প্ৰীতি সমাৰোহ'ত মুখ্য অতিথি হিচাপে উপস্থিত থাকি প্ৰথিতযশা সাহিত্যিক, সাংবাদিকগৰাকীয়ে লগতে কয়— 'অসম জাতীয় বিদ্যালয় অসমীয়া সমাজৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভাৰ চিন্তাপ্ৰজ্ঞ এটা অনুষ্ঠান। আমি প্ৰায় এহাজাৰ বছৰ ধৰি অসমীয়া ভাষাৰ চৰ্চা কৰি আহিছোঁ। এই অসমীয়া ভাষাক কেন্দ্ৰ কৰি আমি এটা উন্নত সভ্যতা, উন্নত সংস্কৃতি, উন্নত সাহিত্য গঢ়ি তুলিছোঁ। ই বিশ্বৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ নহ'লেও আমি একেবাৰে পিছ পৰিও থকা নাই। কিন্তু বৰ্তমান সময়ত অসমীয়া জাতিৰ, সংস্কৃতিৰ অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম নহয়, ইতিমধ্যে বহুখিনি বিপন্ন হৈ গ'লেই। এই সময়ত যিকেইটা অনুষ্ঠানে অসমীয়া জাতিক জীয়াই ৰখাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে, সেইসমূহৰ ভিতৰত অসম জাতীয় বিদ্যালয়ে বিশেষ স্থান পাব। 'অসম জাতীয় বিদ্যালয়'— এই শব্দকেইটা উচ্চাৰিত হ'লেই মনলৈ আহে অসমৰ হাজাৰ হাজাৰ বিদ্যালয়ৰ ভিতৰত বিশেষ নাম থকা এখন বিদ্যালয়ৰ নাম। অসম জাতীয় বিদ্যালয় কেৱল এখন বিদ্যালয় নহয়, এইখন এখন সম্পূৰ্ণ নিজস্ব বৈশিষ্ট্যৰে মণ্ডিত অসমৰ জাতীয় জীৱনত এক বৃহৎ ভূমিকা গ্ৰহণ কৰা একক আৰু অনন্য অনুষ্ঠান। যেনেকৈ সাগৰত বিপদৰ সময়ত 'লাইফ ব'টে' জীৱন দায়িনীৰ কাম কৰে, ঠিক সেইদৰে অসম জাতীয় বিদ্যালয়ে লাইভ ব'টৰ ভূমিকা গ্ৰহণ কৰিছে অসমীয়া ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে। মই ভাবোঁ— অসমীয়া বা ভাৰতীয়সকলে প্ৰয়োজনতকৈ বেছি কথা কয়। লেখা আৰু কোৱাৰ ক্ষেত্ৰতো যিমানেই সংক্ষিপ্ত কৰিব পাৰি, সিমানেই ভাব গধুৰ হ'ব, সিমানেই শ্ৰোতাৰ সহায়ক হয়। বাহিৰৰ মানুহবোৰে কথা কমকৈ কয়, কাম অধিক কৰে। মই ভাবোঁ— আমি কথা কমকৈ ক'ব লাগে আৰু কাম বেছি কৰা প্ৰয়োজন। মহাত্মা গান্ধীয়েও এই নীতিত বিশ্বাস কৰিছিল। অসম জাতীয় বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ যথেষ্ট ভাল, প্ৰায়েই এশজনেই উত্তীৰ্ণ হয়। ইয়াতকৈ ভাল কথা একো হ'ব নোৱাৰে। শিক্ষাৰ ক্ষেত্ৰত মই স্থান লাভৰ পক্ষপাতি নহয়। শিক্ষাৰ্থীসকল অধ্যয়নশীল, পৰিশ্ৰমী আৰু পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে। মই যেতিয়া ১৯৫০ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছিলোঁ, সেই সময়ত স্থান লাভ কৰাসকলৰ এজনৰো নাম মনত পেলাব পৰা নাই। কিন্তু দ্বিতীয়, তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাসকলে অসমীয়া সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত সুনাম অৰ্জন কৰি নেতৃত্ব দিয়া দেখা গৈছে। অসম জাতীয় বিদ্যালয় কেৱল এখন বিদ্যালয়ে নহয়, ই অসমীয়াৰ আশা-ভৰসাৰো স্থল। দ্বিতীয়বাৰৰ বাবে অসম জাতীয় বিদ্যালয়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিভূত হৈছোঁ।' অনুষ্ঠানত বৰগোহাঞিক বিদ্যালয়ৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই বন্তি প্ৰজ্বলন কৰে। তাৰ পিছত বিশিষ্ট ব্যক্তিসকলে জাতীয় শ্বহীদসকলৰ উপৰি অসম জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠাত বিশেষ ভূমিকা গ্ৰহণ কৰা প্ৰয়াত কৃষ্ণ কুমাৰ বৰা, ভৰেন কুমাৰ বৰা আৰু ত্ৰিদিপ ভট্টাচাৰ্যৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে আৰু এক মিনিট মৌন প্ৰাৰ্থনা কৰে। অসম জাতীয় বিদ্যালয়ৰ শিক্ষক অসীমকৃষ্ণ বৰুৱাই আঁত ধৰা সভাখনত বিদ্যালয়খনৰ ২৫গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে 'আমাৰ জাতীয় বিদ্যালয়' শীৰ্ষক গীত পৰিৱেশন কৰে। আদৰণী ভাষণত বিদ্যালয়খনৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে কয়— 'আজি জাতীয় বিদ্যালয় সন্তাৰ বাবে এটা বিশেষ দিন। ১৯৯৪ চনৰ পহিলা জানুৱাৰীত জন্মগ্ৰহণ কৰা অসম জাতীয় বিদ্যালয়ে ২৫ বছৰত ভৰি দিছে। আমি বছৰজোৰা কাৰ্যসূচীৰে ৰূপালী জয়ন্তীৰ আয়োজন কৰিছোঁ। সমগ্ৰ ৰাজ্যৰ চুকে-কোণে সহস্ৰাধিক জাতীয় বিদ্যালয় গঢ়ি উঠিছে। মাতৃভাষাৰ প্ৰতি গভীৰ দায়িত্ববোধ থকা বাবে সম্প্ৰতি ৬ লক্ষাধিক শিক্ষাৰ্থীয়ে ৰাজ্যৰ জাতীয় বিদ্যালয় তথা মাতৃভাষাত শিক্ষাগ্ৰহণ কৰি আছে। পৰৱৰ্তী সময়ছোৱাত বিজ্ঞানসন্মতভাৱে বিদ্যালয়খন চলাই নিয়াৰ প্ৰয়াস কৰিম।' সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ড° নাৰায়ণ শৰ্মাই। সভাত বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰমোহন গোস্বামী, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ দত্ত চৌধুৰীও উপস্থিত থাকে। ইয়াৰ পিছতে বিদ্যালয় পঞ্জীয়ন সম্পৰ্কীয় বক্তব্য আগবঢ়ায় বিদ্যালয়ৰ শিক্ষক ৰবীন্দ্ৰ বৰ্মনে। সভাত ৫৭খন জাতীয় বিদ্যালয়ক পঞ্জীয়নৰ প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। ইয়াৰ পিছত অনুষ্ঠিত প্ৰতিনিধি সভাখনত প্ৰতিনিধিসকলে বক্তব্য আগবঢ়ায়। সভাত সমগ্ৰ ৰাজ্যৰ পাঁচ শতাধিক প্ৰতিনিধি আৰু ৩০৬খন বিদ্যালয়ে অংশগ্ৰহণ কৰে। সভাত শলাগৰ শৰাই আগবঢ়ায় উপাধ্যক্ষ ধ্ৰুৱ শৰ্মাই। 'অসম সংগীতেৰে' সভাৰ সামৰণি পৰে।

আমাৰ অসম ৪ মে ২০১৮
পৃষ্ঠাংক - ১, আৰু ৭

অসম জাতীয় বিদ্যালয় একক আৰু অনন্য ঃ হোমেন বৰগোহাঞি

# প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত সম্প্ৰীতি সমাৰোহ

মহানগৰ ব্যুৰ', ৩ মে' ঃ 'অসম জাতীয় বিদ্যালয় মাথোঁ এখন বিদ্যালয়েই নহয়। ই হৈছে ভাষা, সাহিত্য, সংস্কৃতিৰ এক আন্দোলন। সেয়ে অসম জাতীয় বিদ্যালয় একক আৰু অনন্য। অসম জাতীয় বিদ্যালয় অসমীয়া সমাজৰ প্ৰতিভা-চিন্তাৰ সৰ্বশ্ৰেষ্ঠ অনুষ্ঠান। বৰ্তমান অসমীয়া ভাষা, সংস্কৃতিৰ সংকটৰ সময়ত যিবোৰ অনুষ্ঠানে ভাষা, সংস্কৃতি ৰক্ষাৰ বাবে অহৰহ প্ৰচেষ্টা চলাই আছে, সেইবোৰৰ ভিতৰত অসম জাতীয় বিদ্যালয়ো অন্যতম অনুষ্ঠান।' অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আজি গুৱাহাটীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত 'জাতীয় বিদ্যালয়ৰ সম্প্ৰীতি সমাৰোহ'ত বিশিষ্ট লেখক, সাংবাদিক হোমেন বৰগোহাঞিয়ে এনেদৰে কয়। তেওঁ লগতে আৰু কয় যে অসম জাতীয় বিদ্যালয় অসমীয়া জীৱনৰ আশা-ভৰসাৰ থলী। সেয়ে অসমীয়া জাতিক ভালপোৱা প্ৰত্যেকজন ব্যক্তিয়ে জাতীয় বিদ্যালয়খন আগবঢ়াই নিয়াত এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিব



লাগে। একাংশ ৰাজনৈতিক নেতাৰ অদূৰদৰ্শিতা আৰু মূৰ্খামিৰ বাবে জাতিটো বিপদৰ উপক্ৰম হৈছে। সেয়ে এনে ক্ষেত্ৰত অসম জাতীয় বিদ্যালয়ে জাতি উদ্ধাৰৰ বাবে কৰা আন্দোলন সফল হ'ব বুলি বৰগোহাঞিয়ে আশা প্ৰকাশ কৰে। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণ প্ৰদান কৰি কয় যে ১৯৯৪ চনৰ ১ জানুৱাৰীত জন্মলাভ কৰা অসম জাতীয় বিদ্যালয় মাতৃভাষাৰ প্ৰতি দায়বদ্ধ। সমগ্ৰ অসমত জাতীয় বিদ্যালয়ত বৰ্তমান ৬ লাখ শিক্ষাৰ্থীয়ে মাতৃভাষাত শিক্ষাগ্ৰহণ কৰি আছে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই বন্তি প্ৰজ্বলন কৰে। বিদ্যালয়খনৰ ২৫গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে 'আমাৰ জাতীয় বিদ্যালয়' শীৰ্ষক এটি সমৱেত সংগীত পৰিৱেশন কৰে। উল্লেখযোগ্য যে উক্ত অনুষ্ঠানতে মুঠ ৫৭খন বিদ্যালয়ক পঞ্জীয়ন প্ৰমাণ-পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত বিদ্যালয়ৰ শৈক্ষিক বিষয়া তথা পৰিচালনা সমিতিৰ সভাপতি দিলীপ দত্ত চৌধুৰী, নৰেন্দ্ৰ মোহন গোস্বামী, সচিব নাৰায়ণ শৰ্মা উপস্থিত থাকি কৃষ্ণ কুমাৰ বৰা, ত্ৰিদীপ ভট্টাচাৰ্য আৰু ভবেন কুমাৰ বৰালৈ শ্ৰদ্ধাঞ্জলি জনাই প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে।

দৈনিক জনমভূমি ৪ মে, ২০১৮
পৃষ্ঠা নং - ১১

# অসম জাতীয় বিদ্যালয় অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ এক আন্দোলন ঃ হোমেন বৰগোহাঞি

**ষ্টাফ ৰিপৰ্টাৰ, ৩ মে'** ঃ 'অসম জাতীয় বিদ্যালয় এখন শিক্ষানুষ্ঠানেই নহয়, এই শিক্ষানুষ্ঠানখন অসমীয়া জাতি, ভাষা, সাহিত্য, সংস্কৃতি ৰক্ষাৰ এক আন্দোলন। এই শিক্ষানুষ্ঠানক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠিছে অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ আশা আৰু প্ৰত্যাশা।' আজি গুৱাহাটী মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত অংশ লৈ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট কথাশিল্পী হোমেন বৰগোহাঞিয়ে এই গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে। উল্লেখ্য যে অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ বছৰজোৰা বিভিন্ন কাৰ্যসূচীৰ অংশ হিচাপে অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহৰ প্ৰতিনিধিৰ অংশগ্ৰহণেৰে আয়োজন কৰা জাতীয় বিদ্যালয় সম্প্ৰীতি সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি কথাশিল্পীগৰাকীয়ে লগতে কয় যে একাংশ ৰাজনীতিবিদৰ অদূৰদৰ্শিতা আৰু দায়িত্বহীনতাৰ বাবে অসমীয়া জাতি, ভাষা, সাহিত্য, সংস্কৃতিলৈ প্ৰত্যাহ্বান আহি পৰিছে। এই প্ৰত্যাহ্বানৰ ফলত জাতিটোলৈ সংকট আহি পৰিছে। তেনে সময়তে অসম জাতীয় বিদ্যালয়ে জাতিটো ৰক্ষাৰ ক্ষেত্ৰত এক আন্দোলন আৰম্ভ কৰিছে। পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা সম্প্ৰীতি সমাৰোহৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আদৰণী ভাষণ আগবঢ়োৱাৰ পাছতে সমাৰোহৰ উদ্দেশ্য ব্যাখ্যা কৰি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই কয় যে জাতীয় বিদ্যালয় সম্প্ৰীতি সমাৰোহৰ জৰিয়তে শৈক্ষিক কথা আলোচনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত মত বিনিময় কৰা হয়। অসম জাতীয় বিদ্যালয়ৰ আদৰ্শৰে ৰাজ্যখনত সহস্ৰাধিক জাতীয় বিদ্যালয় গঢ় লৈছে। ছয় লক্ষাধিক শিক্ষাৰ্থীয়ে মাতৃভাষা মাধ্যমত এই শিক্ষানুষ্ঠানসমূহত শিক্ষাগ্ৰহণ কৰি থকা বুলি তেওঁ বক্তব্যত সদৰী কৰে। ৰাজ্যখনত ৫৭ খন বিদ্যালয়ক পঞ্জীয়নপত্ৰ প্ৰদান কৰা সম্প্ৰীতি সমাৰোহত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ দত্ত চৌধুৰী, শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামী প্ৰমুখ্যে বিশিষ্ট লোকসকলক উপস্থিত থাকে।

অসমীয়া খবৰ ৪ মে, ২০১৮
পৃষ্ঠা নং - ১০

# ভাষা-সংস্কৃতিৰ অস্তিত্ব বিপন্ন হৈছে ঃ বৰগোহাঞি

## 'এজবেক'ৰ উদ্যোগত 'জাতীয় বিদ্যালয় সম্প্ৰীতি সমাৰোহ' সম্পন্ন



ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ৩ মে' ঃ 'অদূৰদৰ্শী-মূৰ্খ ৰাজনৈতিক নেতাৰ ভুল চিন্তা আৰু কাৰ্যকলাপে অসমীয়া জাতিৰ সৰ্বনাশ মাতি আনিছে। ফলত বিপন্ন হৈছে অসমীয়া ভাষা-সংস্কৃতিৰ অস্তিত্ব।' এই মন্তব্য অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিৰ। অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি আজি ইয়াত আয়োজন কৰা 'জাতীয় বিদ্যালয় সম্প্ৰীতি সমাৰোহ'ত মুখ্য অতিথিৰ ভাষণত এই মন্তব্য কৰি তেওঁ কয়, 'প্ৰায় এহেজাৰ বছৰ ধৰি অসমীয়া ভাষাৰ চৰ্চা অব্যাহত আছে। এই অসমীয়া ভাষাক কেন্দ্ৰ কৰি আমি এটা উন্নত সভ্যতা, উন্নত সংস্কৃতি আৰু উন্নত সাহিত্য সৃষ্টি কৰিবলৈ সক্ষম হৈছো। ই বিশ্বৰ ভিতৰত প্ৰথম শ্ৰেণীৰ নহ'লেও অসমীয়া জাতি পিছ পৰি থকা নাই। অসমীয়া সাহিত্যক কেন্দ্ৰ কৰিয়ে প্ৰায় এহেজাৰ বছৰীয়া চৰ্চাৰে গঢ়ি উঠিছে অসমীয়া জাতি। কিন্তু বৰ্তমান সময়ত অসমীয়া জাতিৰ জাতীয় অস্তিত্ব, সাংস্কৃতিক অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম হোৱাই নহয়, ইতিমধ্যে বহুখিনি বিপন্ন হ'ল।' অসমীয়া জাতি বৰ্তমানে সাগৰৰ ডুবন্ত জাহাজৰ দৰে হৈ পৰা বুলি মন্তব্য কৰি তেওঁ কয় যে অদূৰদৰ্শী আৰু মূৰ্খ ৰাজনৈতিক নেতাৰ ভুল চিন্তা আৰু কাৰ্যকলাপে অসমীয়া জাতিৰ সৰ্বনাশ মাতি আনিছে। ফলত বিপন্ন হৈছে অসমীয়া ভাষা সংস্কৃতি। কিন্তু এই সময়ছোৱাত যিসমূহ অনুষ্ঠান-প্ৰতিষ্ঠানে অসমীয়া জাতিৰ শ্ৰেষ্ঠ প্ৰতিভা গঢ়ি তুলিছে সেইসমূহৰ ভিতৰত অসম জাতীয় বিদ্যালয় অন্যতম। অসম জাতীয় বিদ্যালয় কেৱল এখন বিদ্যালয়েই নহয়। ই এক আন্দোলন। কাৰণ যেনেকৈ সাগৰত এখন জাহাজ ডুবিব আৰম্ভ কৰিলে যাত্ৰীসকলে প্ৰাণৰক্ষা কৰিবৰ বাবে 'লাইফ বোট'ত জাপ মাৰি পৰে, ঠিক তেনেকৈয়ে আজিৰ অসমৰ অৱস্থা গৈছে সাগৰত ডুবিব ধৰা এখন জাহাজৰ দৰে আৰু তাৰ পৰা আত্মৰক্ষা কৰাৰ বাবে যিখন 'লাইফ বোট' দেখিছো, সেই লাইফ বোটখন হ'ল অসম জাতীয় বিদ্যালয়। অসমত হয়তো কে'বা হেজাৰ এনে বিদ্যালয় আছে তাৰ যিকোনো এখন বিদ্যালয়ৰ নাম ক'বলৈ গ'লে ক'ব লাগিব অসম জাতীয় দিব্যালয়ৰ নাম। অসম জাতীয় বিদ্যালয় অসমীয়া সমাজৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভাৰ চিন্তাপ্ৰসূত এটা অনুষ্ঠান বুলি অভিহিত কৰি তেওঁ পুনৰ কয়, 'যি মুহূৰ্ততে অসম জাতীয় বিদ্যালয়' শব্দ তিনিটা উচ্চাৰণ হয় তেতিয়াই মনলৈ এই ভাব আহে যে অসমৰ হেজাৰ হেজাৰ বিদ্যালয়ৰ ভিতৰত এইখন এখন স্কুল নহয়। এইখন সম্পূৰ্ণ নিজস্ব বৈশিষ্ট্যৰে মণ্ডিত অসমীয়া জাতীয় জীৱন গঢ়াৰ ক্ষেত্ৰত অনবদ্য ভূমিকা গ্ৰহণ কৰা একক আৰু অনন্য বিদ্যালয়। এজন অসমীয়া হিচাপে অসমৰ ভৱিষ্যতৰ কথা চিন্তা কৰা মানুহ হিচাপে ক'ব খোজো যে অসম জাতীয় বিদ্যালয় অসমীয়া সমাজৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিভাৰ চিন্তাপ্ৰসূত এটা অনুষ্ঠান।' অসম জাতীয় বিদ্যালয় এক আন্দোলনলৈ পৰ্যবেশিত হোৱা বুলি মন্তব্য কৰি সাহিত্যিক বৰগোহাঞিয়ে পুনৰ কয় যে অসম জাতীয় বিদ্যালয় এখন মাত্ৰ বিদ্যালয় নহয়। এটা আন্দোলন। কেৱল আন্দোলনেই নহয় ই অসমীয়া জাতিৰ আশা-ভৰসাৰ স্থলী। অসমীয়া ভাষা-সংস্কৃতি যিটো সময়ত বিপন্ন হৈছে সেই সময়ত অসম জাতীয় বিদ্যালয়ৰ দৰে স্কুল দেখি সকলোৱে আশাৰ মুখ দেখা বুলি তেওঁ কয়। স্থান লাভেই কৃতকাৰ্য হোৱা নুবুজায় বুলি মন্তব্য কৰি বৰগোহাঞিয়ে পুনৰ কয়, 'পৰীক্ষাৰ স্থানক লৈ মই বেছি পছন্দ কৰাৰ পক্ষপাতী নহয়। কাৰণ স্থান লাভৰ আশাত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীয়ে পাছৰ জীৱনত খুব কিবা ভাল কাম কৰি দেখুৱাব পাৰে বুলি মোৰ ধাৰণা নহয়। উদাহৰণ স্বৰূপে ১৯৫০ত মই মেট্ৰিক পাছ কৰিছিলো। সেই সময়ত কোনে প্ৰথম স্থান লাভ কৰিছিল মই বহুত চিন্তা কৰিও নামটো মনত পেলাব পৰা নাই। কিন্তু সেই বছৰতে প্ৰথম, দ্বিতীয় বিভাগ মেট্ৰিক উত্তীৰ্ণ হোৱাসকলৰ অধিকাংশই পাছলৈ অসমীয়া জাতীয় জীৱন, সাংস্কৃতিক জীৱন তথা বিভিন্ন কৰ্মক্ষেত্ৰত যথেষ্ট সুনামেৰে নেতৃত্ব প্ৰদান কৰিছে। অৱশ্যে মই এইটো কোৱা নাই যে ছাত্ৰ-ছাত্ৰীয়ে ভালকৈ পঢ়ি সফল হ'বলৈ চেষ্টা কৰিব নালাগিব।' ছাত্ৰ-ছাত্ৰীসকলে স্থান লাভতকৈ অধ্যয়নশীল হোৱাৰ মানসিকতাৰে নিজক গঢ় দিয়া উচিত বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে ভাল মানুহ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকল অধ্যয়নশীল হ'বই লাগিব। লগতে কঠোৰ পৰিশ্ৰম কৰাৰ মানসিক অধিকাৰী হ'ব লাগিব। পৰীক্ষাত ভালকৈ উত্তীৰ্ণ হ'ব লাগে। কিন্তু স্থান লাভেই শেষ লক্ষ্য হোৱা উচিত নহয়। শিক্ষকৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰ প্ৰসংগত ইংলণ্ডৰ প্ৰখ্যাত শিক্ষক ফ্ৰেডেৰিক উইলিয়াম হেণ্ডাৰছন সন্দৰ্ভত এইছ জি ৱেলছে লিখা 'দ্য ষ্ট'ৰী অৱ এ হেডমাষ্টাৰ'ৰ ওপৰতো তেওঁ বক্তব্য দাঙি ধৰে। তদুপৰি ভাৰতীয় লোকৰ বহুবক্তী স্বভাৱৰ ওপৰত আলোকপাত কৰি ফ্ৰান্সৰ বিশ্ববিখ্যাত বাতৰি কাকত 'লা পিকাডো'ৰ কাৰ্যবাহী সম্পাদকে ১৯৯০ত আনন্দ বাজাৰ পত্ৰিকা গোষ্ঠীৰ এক বক্তৃতানুষ্ঠানত প্ৰদান কৰা বক্তৃতাটোৰ কথাও বৰগোহাঞিয়ে ভাষণত উল্লেখ কৰে। এখন ফুলস্কেপ কাগজত লিখা বক্তৃতাটো ইমানেই ভাবোদ্দীপক কথা আছিল যে বহুতে হয়তো এখন কিতাপতো সেইখিনি কথা লিখিব নোৱাৰিব। সেয়ে সকলোকে কথা কমকৈ কোৱাৰ লগতে কাম বেছিকৈ কৰাৰ বাবে তেওঁ আহ্বান জনায়। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত অনুষ্ঠিত 'জাতীয় বিদ্যালয় সম্প্ৰীত সমাৰোহ'ত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫৭ খন জাতীয় বিদ্যালয়ক আজি পঞ্জীয়ন প্ৰমাণপত্ৰ প্ৰদান কৰে। ইয়াৰ লগে লগে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ পঞ্জীয়ন প্ৰমাণপত্ৰ লাভ কৰা জাতীয় বিদ্যালয়ৰ সংখ্যা ৮২ খনলৈ বৃদ্ধি পায়। ৰূপালী জয়ন্তীবৰ্ষ উদ্বোধনী অনুষ্ঠানত শিক্ষা সাংসদে যোৱা পহিলা জানুৱাৰীত ৰাজ্যৰ ২৫ খন জাতীয় বিদ্যালয়ক প্ৰথম পৰ্যায়ত পঞ্জীয়ন প্ৰমাণপত্ৰ প্ৰদান কৰে। অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ সচিব ডাঃ নাৰায়ণ শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত অসম জাতীয় বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, ন্যাসৰ সভাপতি দিলীপ দত্ত চৌধুৰী, শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীকে প্ৰমুখ্য কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সহস্ৰাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অসম জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰাই অনুষ্ঠানটোৰ আঁত ধৰে।

অগ্ৰদূত ৪ মে, ২০১৮